**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

জম্মু-কাশ্মীৰৰ পহলগামত কালিৰ সন্ত্ৰাসবাদীৰ বৰ্বৰ আক্ৰমণত ২৮ জন লোক নিহত হোৱাৰ পাছত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সেনা বাহিনী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীৰ যুটীয়া দলে নিশ্চিদ্ৰ তালাচী অভিযান চলাইছে। সেনা বাহিনীৰ নৰ্ডান কমাণ্ডাৰ জি অ' চি লেফটেনেণ্ট জেনেৰেল এম ভি সুচেন্দ্ৰ কুমাৰে এই অভিযান তদাৰক কৰি আছে। নিৰাপত্তাবাহিনীসমূহে অভিযানত স্নিফাৰ ডগো ব্যৱহাৰ কৰিছে। ঘটনাৰ তদন্তৰ বাবে নিয়োগ কৰা ৰাষ্ট্ৰীয় তদন্ত সংস্থা- এন আই এৰ দল ইতিমধ্যে ঘটনাস্থলীত উপস্থিত হৈছে।

কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ ইতিমধ্যে পহলগামৰ ঘটনাস্থলীত উপস্থিত হৈছে। তেওঁৰ সৈতে উপ-ৰাজ্যপাল মনোজ সিন্‌হা আৰু আন উচ্চপদস্থ বিষয়াসকলেও ঘটনাস্থলী পৰিদৰ্শন কৰিছে।

সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ ছৌদি আৰৱ ভ্ৰমণ আধাতে সামৰি ভাৰতলৈ ঘূৰি আহিছে। শ্ৰীমোদীয়ে দিল্লী বিমানবন্দৰতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ডঃ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল, বিদেশ সচিব বিক্ৰম মিশ্ৰী আৰু অন্যান্য বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈ শেহতীয়া পৰিস্থিতিৰ বুজ লয়।

সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে যোৱা নিশা শ্ৰীনগৰত উপস্থিত হোৱা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতে সন্ত্ৰাসবাদী আক্ৰমণস্থলী পৰিদৰ্শন কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে শ্ৰীনগৰৰ পৰা প্ৰায় ৮৫ কিলোমিটাৰ নিলগৰ দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামৰ বেইচৰণ বনাঞ্চলত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত দুজন বিদেশী পৰ্যটক আৰু দুজন কাশ্মীৰী লোককে ধৰি ২৬ জন পৰ্যটকৰ মৃত্যু হয়।

ইপিনে, আজি উত্তৰ কাশ্মীৰৰ বাৰামুল্লা জিলাৰ চৰজিৱান এলেকাত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে সেনাই চলোৱা অভিযানত দুজন সশস্ত্ৰ সন্ত্ৰাসবাদীৰ মৃত্যু হয়। সেনাৰ এগৰাকী মুখপাত্ৰই প্ৰকাশ কৰা অনুসৰি আজি নিচেই পুৱাতে ২-৩ জন সন্ত্ৰাসবাদীয়ে এই অঞ্চলটোত অনুপ্ৰৱেশৰ চেষ্টা চলাইছিল। মৃত সন্ত্ৰাসবাদী দুজনৰ পৰা ভালেসংখ্যক অস্ত্ৰ-শস্ত্ৰ, গুলীবাৰুদ আৰু যুদ্ধত ব্যৱহৃত সামগ্ৰী উদ্ধাৰ কৰা হয় বুলি মুখপাত্ৰগৰাকীয়ে জানিবলৈ দিছে।

০০০০০০০০০

জম্মু-কাশ্মীৰৰ পহলগামৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাইলৈৰ পৰা প্ৰস্তাৱিত অসম ভ্ৰমণ বাতিল কৰা হৈছে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন সমাৰোহ আৰু শ্ৰীমন্ত শংকৰদেৱ বঁটা প্ৰদান অনুষ্ঠানো বাতিল কৰা হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ

শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে কংগ্ৰেছ দলৰ হৈ দলৰ সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ গৌৰৱ গগৈকে ধৰি শীৰ্ষ নেতাসকলে প্ৰচাৰ চলাই আছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি **চৰাইদেউ** জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে এই সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই **বৰাকত** দুদিন প্ৰচাৰ চলোৱাৰ পাছত কালি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। আজি তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই কালি **গোলাঘাট** জিলাত প্ৰচাৰ সভাত অংশ লৈ বিগত সময়ছোৱাত বিজেপি মিত্ৰজোঁট চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰে। প্ৰতিকুল বতৰৰ বাবে আজি লখিমপুৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্বাচনী প্ৰচাৰ বাতিল কৰা হৈছে।

**ধেমাজি** জিলাত কালি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰে।

**শ্ৰীভূমি** জিলাত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত ব্যাপক তৎপৰতা দেখা গৈছে।

**যোৰহাট** জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ কুমাৰগাঁও বুথত কালি যোৰহাট জিলা বিজেপিৰ সভাপতি সান্তনু পূজাৰীয়ে আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী প্ৰদীপ কুমাৰ বৰাৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ প্ৰশাসনে নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ আয়ুক্তই কালি নিৰ্বাচনৰ পৰিবহণ কোষৰ ভাৰপ্ৰাপ্ত বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্তৰ সৈতে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত উপস্থিত হৈ নিৰ্বাচনী বিষয়াসকলৰ যাতায়াতৰ ব্যৱস্থাসমূহ চোৱাচিতা কৰে।

**কামৰূপ** জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। জিলাখনৰ ১৮ খন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত সদস্যৰ ৯৬ টা পদ আৰু এহেজাৰ ৫০ গৰাকী পঞ্চায়ত সদস্যৰ বাবে নিৰ্বাচন হ'ব। শাসকীয় বিজেপি, অসম গণ পৰিষদ আৰু ৰাভাহাচং যৌথ সংগ্ৰাম সমিতিয়ে মিত্ৰতাৰে এই নিৰ্বাচনত অৱতীৰ্ণ হৈছে। বিজেপি মিত্ৰজোঁটৰ সমানে জিলাখনত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ চলাইছে।

**ডিব্ৰুগড়** জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ খন জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৱাৰ্ড সদস্যৰ বাবে ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ ব্যস্ততা বৃদ্ধি পাইছে। জিলাখনৰ মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকনৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু দলীয় নেতাই প্ৰচাৰ অব্যহত ৰাখিছে।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ চৌহদৰ প্ৰস্থান পথত থকা কেইবাজোপাও পুৰণি গছ যোৱানিশা উভালি পৰাৰ ফলত কেন্দ্ৰৰ ষ্টুডিঅ' আৰু কাৰ্যালয়লৈ বিদ্যুৎ যোগান যোৱা মাজনিশাৰ পৰা ব্যাহত হৈছে। যোৱা দুদিন ধৰি

হোৱা ধাৰাসাৰ বৰষুণৰ বাবে এই গছ কেইজোপাৰ শিপাৰ মাটি উটি যোৱাৰ ফলত এই গছ কেইজোপা উভালি পৰে আৰু কাষৰ বিদ্যুতৰ খুটা আৰু তাঁৰ ক্ষতিগ্ৰস্ত হয়। এই ঘটনাত আন কোনো ক্ষয়-ক্ষতি হোৱা নাই যদিও বিদ্যুৎ সংযোগ ব্যাহত হৈ পৰে। আকাশবাণী আৰু অসম ৰাজ্যিক বিদ্যুৎ বিতৰণ কোম্পানীৰ অভিযন্তা কৰ্মচাৰীসকলে ব্যাহত হোৱা বিদ্যুত যোগান পুনৰ স্থাপন কৰিবলৈ চেষ্টা চলাই আছে। আকাশবাণী গুৱাহাটী কেন্দ্ৰত থকা উচ্চ ক্ষমতাসম্পন্ন ডিজেল জেনেৰেটৰৰ সহায়ত বাতৰি সেৱাকে ধৰি নিয়মীয়া অনুষ্ঠান প্ৰচাৰ চলাই থকা হৈছে। এতিয়ালৈকে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ প্ৰচাৰণ স্বাভাৱিক হৈ আছে বুলি কেন্দ্ৰটোৰ অভিযান্ত্ৰিক শাখাৰ উপ-সঞ্চালকপ্ৰধানে জনাইছে।

০০০০০০০০০

নগাঁও জিলাৰ কলিয়াবৰৰ আমবাগান নিবাসী পেৰা চাইক্লিষ্ট ৰাকেশ বণিকে মস্কো চহৰৰ পৰা চাইকেল চলাই কেইবাখনো ৰাষ্ট্ৰ ভ্ৰমণ কৰাৰ উদ্দেশ্যে আজি কলিয়াবৰৰ পৰা যাত্ৰা আৰম্ভ কৰিছে। ‘ভল্গাৰ পৰা ব্ৰহ্মপুত্ৰলৈ’ শীৰ্ষক শ্ল’গানেৰে এখন কৃত্ৰিম ভৰিৰ সহায়ত চাইকেল চলাই পূৰ্বে অভিলেখ স্থাপন কৰা ৰাকেশে এইবাৰৰ ভ্ৰমণত অসমৰ পৰ্যটন খণ্ডত বিশ্বৰ সন্মুখত তুলি ধৰাৰ প্ৰয়াস চলাব। এটা পথ দুৰ্ঘটনাত এখন ভৰি হেৰুওৱা ৰাকেশ বণিকে অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ এগৰাকী নিৰ্বাচনী আইকন হিচাপেও স্বীকৃতি লাভ কৰিছে। উত্তৰ-পূৰ্বাঞ্চলত একমাত্ৰ পেৰা চাইক্লিষ্ট হিচাপে পৰিগণিত হোৱা ৰাকেশে এই যাত্ৰাত ৰাছিয়া, কাজাকিস্তান, কিৰ্গিস্তান, চীন, তিববত, নেপাল আৰু ভাৰতৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি ৪ মাহ পাছত গুৱাহাটীত উপস্থিত হোৱাৰ কথা।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ’বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ’ব।

যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৭ অ’ভাৰ আৰু ৫টা বলত দুটা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ’ভাৰত ৬ উইকেটৰ বিনিময়ত ১৫৯ ৰাণ সংগ্ৰহ কৰে।

০০০০০০০